*Total number of printed pages–4*

**1 (Sem–2/FYUGP) ASS 21 MN/(A)**

Jawaharlal Nehru College Library
Estd.-1964
Boko, Dist Kamrup

**2026**

**ASSAMESE**

( Minor )

**SET–A**

Paper : ASS4200104MN

[ অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাস

( ১৮২৬ চনৰ পৰা ১৯৪৭ চনলৈ ) ]

*Full Marks : 60*

Time : 2½ hours

*The figures in the margin indicate full marks for the questions.*

## SET–A

১। চমুকৈ উত্তৰ দিয়া ঃ ১×৮=৮

(ক) 'অৰুণোদই' কাকতখন প্ৰথম ক'ৰপৰা প্ৰকাশিত হৈছিল?

(খ) 'A Native' ছদ্মনামটো কাৰ?

(গ) 'হেমকোষ'ৰ প্ৰণেতা কোন?

(ঘ) প্ৰথম অসমীয়া ৰোমান্টিক কবিতাটোৰ নাম কি?

(ঙ) লক্ষ্মীনাথ বেজবৰুৱাৰ উপন্যাসখনৰ নাম কি?

(চ) 'বনফুল'ৰ কবি কোন?

(ছ) অসমীয়া সাহিত্যত অসমৰ স্কট বুলি কাক কোৱা হয়?

(জ) ৰায়বাহাদুৰৰ চতুৰ্থ ছোৱালীজনীৰ নাম কি?

২। চমুকৈ উত্তৰ দিয়া ঃ *(যিকোনো ছয়টা)* ২×৬=১২

(ক) অসমৰ পঢ়াশালি আৰু আদালতৰ পৰা অসমীয়া ভাষা কেতিয়া আঁতৰাই দিয়া হৈছিল আৰু কিমান চনত পুনৰ প্ৰতিষ্ঠা কৰা হৈছিল?

(খ) ৰজনীকান্ত বৰদলৈৰ সামাজিক উপন্যাসখনৰ নাম উল্লেখ কৰি উপন্যাসখনৰ প্ৰকাশৰ চনটো লিখা।

(গ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ *দুখন* নাটকৰ নাম লিখা।

(ঘ) ৰঘুনাথ চৌধাৰীয়ে সম্পাদনা কৰা *দুখন* আলোচনীৰ নাম লিখা।



(ঙ) 'বামনৰমী' নাটকখন প্ৰথমে কোনখন আলোচনা আৰু কিমান চনত প্ৰকাশত হৈছিল?

(চ) কমলাকান্ত ভট্টাচাৰ্যৰ *দুখন* কবিতা পুথিৰ নাম লিখা।

(ছ) লক্ষ্মীনাথ বেজবৰুৱাৰ গদ্যৰীতিৰ *দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

(জ) 'তোমাৰ খোপাৰ আবেলি আবেলি গোন্ধ' — পংক্তিটো কোনটো কবিতাৰ অন্তৰ্গত? কবিতাটোৰ কবি কোন?

(ঝ) নীলমণি ফুকনৰ প্ৰথম কাব্যগ্ৰন্থখনৰ নাম কি? কোনখন কাব্যগ্ৰন্থৰ বাবে তেওঁ সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল?

(ঞ) "বগা ডাঢ়ি-গোঁফলৈ
আশী বছৰীয়া হে
কেনেকৈ মাত উলিয়াব
ৰাজতনয়াৰ?"
— সংলাপ ফাঁকি কোনে কাৰ আগত কৈছিল?

৩। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) প্ৰাক্-অৰুণোদই স্তৰৰ সাহিত্য

(খ) আনন্দৰাম ঢেকিয়াল ফুকন

(গ) জোনাকী আলোচনীৰ অৱদান

(ঘ) চণ্ডীদাস আৰু ৰামী ধুবুনীৰ প্ৰেম

(ঙ) ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ বৈশিষ্ট্য

(চ) 'পোহৰ' কবিতাটিৰ মূলভাৱ

(ছ) 'মিৰি-জীয়ৰী' উপন্যাসৰ ডালিমী চৰিত্ৰ

(জ) নাট্যকাৰ জ্যোতিপ্ৰসাদ আগৰৱালা

৪। তলৰ *যিকোনো দুটাৰ* উত্তৰ দিয়া ঃ ১০×২=২০

(ক) অসমীয়া ভাষা সাহিত্যলৈ খ্ৰীষ্টিয়ান মিছনেৰী সকলৰ অৱদান সম্পৰ্কে বহলাই আলোচনা কৰা।

(খ) 'ইংলেণ্ডৰ বিৱৰণ' শীৰ্ষক প্ৰবন্ধটোত আনন্দৰাম ঢেকিয়াল ফুকনে ইংৰাজসকলৰ বুৰঞ্জী জনাৰ ওপৰত কিয় বিশেষ গুৰুত্ব দিছে আলোচনা কৰা।

(গ) 'জীৱনৰ অমিয়া' পাঠটিত লেখকে কোন শ্ৰেণীৰ মানুহক উত্তম আৰু কোন শ্ৰেণীৰ মানুহক অধম বুলি কৈছে আলোচনা কৰা।

(ঘ) 'মিৰি-জীয়ৰী' উপন্যাসত মিৰি সকলৰ সমাজ জীৱনৰ চিত্ৰ কিদৰে পৰিস্ফুট হৈছে লিখা।

(ঙ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'নিমাতী কইনা' নাটখনৰ গীত সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

---